Total No. of Printed Pages—3

**6 SEM TDC ASM M 2**

**2017**

( May )

ASSAMESE

( Major )

Course : 602

**( ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা )**

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অসমীয়ালৈ অনুবাদ কৰাঁ (যি কোনো চাৰি অংশ) : ৩×৪=১২

(ক) ৰিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনম্।
ৰিদ্যা ভোগকৰী যশঃ সুখকৰী ৰিদ্যা গুৰুণাং গুৰুঃ॥

(খ) পুৰা মহানসম্হি দেৰানংপ্ৰিয়স প্ৰিয়দসিনো ৰাঞো অনুদিৰসং বহূনি প্ৰাণ সত-সহস্ৰানি আৰভিসু সূপাথায়।

(গ) ইয়ং ধংমলিপি দেৰানং পিয়েনা পিয়দসিনা লেখিতা হিদা নো কিছি জীৱে আলভিতু পজোহিতৰিয়ে নো পি সা সমাজে কটৰিয়ে।



Scanned by CamScanner

(ঘ) উট্‌ঠানেনপ্‌পমাদেন সঞ্‌ঞমেন দমেন চ।
দীপং কয়িৰাথ মেধাবী যং ওঘো নাভিকীৰতি॥

(ঙ) অমিঅং পাউঅ-কব্বং পঢিউং সোউং অ জে ণ জানন্তি।
কামস্‌স তত্ততন্তিং কুণন্তি তে কহং ণ লজ্জন্তি॥

(চ) ৰয়ণায়ৰ গিৰিতৰুবৰাইঁ গয়ণং গণং মি বিক্‌খাইঁ।
জেণহজ্জ সয়ল সিবিয়ং সো বুহয়ণ ৰো সিৰং দেউ॥

২। উল্লিখিত ১নং প্ৰশ্নৰ তলত আঁচটনা শব্দবোৰৰ মাজৰ পৰা বাছি লৈ যি কোনো তিনিটা শব্দৰ সংস্কৃত ৰূপটো লিখাঁ। ৩

৩। (ক) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ স্তৰ-বিভাজনৰ আভাস দি মধ্যভাৰতীয় আৰ্যভাষাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ৩+১২=১৫

*অথবা*

(খ) পালি কথাযাৰৰ তাৎপৰ্য ব্যাখ্যা কৰাঁ। পালি ভাষাৰ বিকাশ সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰাঁ। ৪+১১=১৫

৪। (ক) পালি আৰু প্ৰাকৃতৰ ব্যঞ্জনবৰ্ণসমূহৰ দুখন তালিকা প্ৰস্তুত কৰি দুয়োটা ভাষাৰ ব্যঞ্জনৰ মাজত থকা মিল-অমিলসমূহ দেখুৱাই এটি আলচ যুগুত কৰাঁ। ৪+৪+৬=১৪

*অথবা*

(খ) সংস্কৃত ধাতুৰূপ আৰু পালি ধাতুৰূপৰ বিষয়ে এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ। ১৪





৫। অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কীয় প্ৰধান মত দুটা কি কি উল্লেখ কৰি তোমাৰ মতে কোনটো গ্ৰহণযোগ্য, আলোচনা কৰাঁ। ২+৮=১০

৬। অসমীয়া ভাষাৰ বিকাশক ড০ বাণীকান্ত কাকতিয়ে কেইটা যুগত ভাগ কৰিছে? যি কোনো এটা যুগৰ ভাষাগত বৈশিষ্ট্যসমূহ উল্লেখ কৰি এটি টোকা প্ৰস্তুত কৰাঁ। ৩+৭=১০

৭। চমু টোকা লিখাঁ (যে কোনো দুটা) : ৪×২=৮

(ক) মধ্যযুগৰ ব্যৱহাৰিক পুথিৰ ভাষা

(খ) 'অৰুণোদই'ৰ ভাষা

(গ) 'প্ৰহ্লাদ চৰিত'ৰ ভাষা

৮। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) 'সিদ্ধ হেমচন্দ্ৰ শব্দানুশাসন' কাৰ ৰচনা?

(খ) অপভ্ৰংশ ভাৰতীয় আৰ্যভাষাৰ কোনটো স্তৰৰ ভাষা?

(গ) প্ৰাকৃত ভাষাত প্ৰচলিত 'প্ৰাকৃত' শব্দটোৰ ৰূপ কি?

(ঘ) প্ৰথম সংস্কৃত ব্যাকৰণখনৰ ৰচয়িতা কোন?

(ঙ) 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' গ্ৰন্থখনৰ ৰচক কোন?

(চ) পালি ভাষাৰ যি কোনো এবিধ সন্ধিৰ নাম লিখাঁ।

(ছ) অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণখন অসমীয়া ভাষাৰ বিকাশৰ কোনটো স্তৰত ৰচিত হৈছিল?

(জ) সংস্কৃত 'ৰ' মাগধী-প্ৰাকৃতত কি হৈছে?

★★★



Scanned by CamScanner